# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-10-2024
**Time :** 07-55 Hrs

***Assamese Morning Bulletin***
***::::::::::::::::::::::::::::::::::::::::::***

প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে আজি দ্বিতীয় পৰ্যায়ত ১৮ খন সম-জিলাৰ কাৰ্যালয় মুকলি কৰা হ'ব। আজি জালুকবাৰী, নতুন গুৱাহাটী, দিছপুৰ, ডিমৰীয়া, অভয়াপুৰী, ৰহা, লামডিং, লাহৰিঘাট, জাগীৰোড, ঢেকীয়াজুলী, ডুমডুমা, নাহৰকটীয়া, দুলিয়াজান, তিখং, নাজিৰা, ডিমৌ, মাহমৰা আৰু লক্ষিপুৰত সমজিলাৰ কাৰ্যালয় মুকলি কৰা হ'ব। জালুকবাৰী, নতুন গুৱাহাটী সমজিলাখন আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰাৰ বিপৰীতে কামৰূপ মহানগৰ জিলাত গঠন হ'বলগীয়া আন দুখন সমজিলা দিছপুৰ আৰু ডিমৰীয়া মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু অতুল বৰাই উদ্বোধন কৰিব। আনহাতে বঙাইগাঁও জিলাৰ অভয়াপুৰী সমজিলাখন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে, নগাঁও জিলাৰ ৰহা সমজিলাখন মন্ত্ৰী অজন্তা নেওগে, লামডিং সমজিলা মন্ত্ৰী নন্দিতা গাৰ্লোচা, মৰিগাঁও-লাহৰিঘাট সমজিলা মন্ত্ৰী কেশৱ মহন্তই, জাগীৰোড সমজিলা মন্ত্ৰী পীযুষ হাজৰিকাই উদ্বোধন কৰিব। একেদৰে ঢেকীয়াজুলী সমজিলাখন মন্ত্ৰী অশোক সিংহলে, ডুমডুমা সমজিলাখন সঞ্জয় কিষানে, নাহৰকটীয়া, মাহমৰা সমজিলা যোগেন মহনে, দুলীয়াজান, তিখং, নাজিৰা সমজিলা মন্ত্ৰী বিমল বৰাই, ডিমৌ সমজিলা মন্ত্ৰী ৰণোজ পেগুৱে আৰু লক্ষিপুৰ সমজিলাখন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই উদ্বোধন কৰিব।

এই প্ৰশাসনিক সংস্কাৰমূলক ব্যৱস্থাৰ দ্বাৰা এতিয়াৰে পৰা সাধাৰণ নাগৰিকে ভূমি ৰাজহ দণ্ডাধীকাৰ, উন্নয়ন জনকল্যাণমূলক আঁচনি ৰূপায়ণ, খাদ্য আৰু অসামৰিক যোগান, আবকাৰী আদি বিভিন্ন জিলা পৰ্যায়ৰ সেৱাসমূহ সমজিলাৰ কাৰ্যালয়তে লাভ কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সমজিলা মুকলি সন্দৰ্ভত সামাজিক মাধ্যমযোগে কয় যে, ৰাজ্যত মহকুমা ব্যৱস্থাটোৰ বিলুপ্তি ঘটোৱা হৈছে। ৰাজ্যত কোনো মহকুমা নাথাকিব। মহকুমাক এতিয়াৰে পৰা সমজিলা হিচাপে জনা যাব। সমজিলা মানে জিলাৰ প্ৰায় সমান, এই ব্যৱস্থাই জনসাধাৰণক চৰকাৰী সেৱাসমূহ লাভ কৰাত অধিক উপকৃত কৰিব।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যৰ প্ৰশাসনিক সংস্কাৰ সাধনৰ পদক্ষেপ হিচাপে কালি ঢকুৱাখনা সম-জিলাৰ শুভ উদ্বোধন কৰা হয়। উদ্বোধনী কাৰ্যসূচীত ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আদি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, বিধায়ক নৱ কুমাৰ দলে, মিচিং স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ, লখিমপুৰ জিলাৰ আয়ুক্ত, ঢকুৱাখনা সম-জিলাৰ আয়ুক্ত কাৰ্তিক কলিতাৰ লগতে প্ৰশাসনৰ বিভিন্ন বিভাগৰ বহুকেইগৰাকী বিষয়া আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

০০০০০০০

ৰাজ্যত কাইলৈৰ পৰা নিযুত মইনা আঁচনিৰ ধন বিতৰণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া সভাত নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰা হ'ব বুলি কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেল যোগে জানিবলৈ দিয়ে। খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়

খেলপথাৰত কাইলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰিব। নৱেম্বৰ মাহৰ পৰা ডি বি টিৰ জৰিয়তে ছাত্ৰীসকলৰ বেংক একাউণ্টত ধন সোমাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। নিযুত মইনা আঁচনি হৈছে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি প্ৰতিৰোধৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এটা পদক্ষেপ। এই আঁচনিৰ জৰিয়তে আগন্তুক তিনিটা বৰ্ষত ১০ লাখ ছাত্ৰীক সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। চলিত বৰ্ষত এই আঁচনি ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে ৰাজকোষৰ ২৪০ কোটি টকা ধন ব্যয় কৰিব। নিযুত মইনা আঁচনিৰ অধীনত একাদশ শ্ৰেণীত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীয়ে মাহিলি এহেজাৰ টকাকৈ ১০ মাহৰ বাবে মুঠ ১০ হাজাৰ টকা লাভ কৰিব। একেদৰে স্নাতক প্ৰথম বৰ্ষত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক ৰাজ্য চৰকাৰে ১০ মাহৰ বাবে এহেজাৰ ২৫০ টকাকৈ প্ৰদান কৰিব। স্নাতকোত্তৰ পাঠ্যক্ৰম তথা বিয়েটত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক এই আঁচনিৰ অধীনত ১০ মাহৰ বাবে মাহিলি দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰিব।

০০০০০০০

সুৰাসক্ত চালকৰ বিৰুদ্ধে আবকাৰী আৰু তিতাবৰ আৰক্ষীয়ে কালি তিতাবৰ সাপ্তাহিক বজাৰ আৰু ৰঙাজানত যুটীয়া অভিযান চলায়। এই অভিযানৰ সময়ছোৱাত প্ৰায় ১৫ লিটাৰ অবৈধ সুৰা নষ্ট কৰাৰ লগতে পোহৰলৈ অহা সুৰাসক্ত চালকৰ দুটাকৈ ঘটনা তিতাবৰ আৰক্ষী চকীত ৰুজু কৰা হয়।

০০০০০০০

হাৰিয়ানা বিধানসভাৰ ৯০টা সমষ্টিৰ বাবে আজি ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। কিছু সময় আগতে আৰম্ভ হোৱা এই ভোটগ্ৰহণ সন্ধিয়া ৬ বজাত অন্ত পৰিব। এটা পৰ্যায়ত অনুষ্ঠিত এই নিৰ্বাচনত ২ কোটি ৩ লাখ ভোটাৰে এহেজাৰ ৩১ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। সমগ্ৰ ৰাজ্যতে ২০ হাজাৰ ৬৩২টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। হাৰিয়ানাৰ মুখ্য নিৰ্বাচনী বিষয়া পংকজ আগৰৱালাই কৈছে যে, ভোটগ্ৰহণ মুক্ত, স্বচ্ছ আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে পৰ্যাপ্ত নিৰাপত্তাৰ লগতে ৰেব কাষ্টিঙৰো ব্যৱস্থা কৰা হৈছে। তেওঁ কয় যে, যদিহে কোনো ভোটাৰৰ ভোটাৰ তালিকাত নাম নাই আৰু  তেওঁৰ হাতত ভোটাৰ পৰিচয় পত্ৰও নাই তেন্তে নিৰ্বাচন আয়োগৰ নিৰ্দেশনাত উল্লেখ থকা ১২ বিধ বিকল্প পৰিচয় পত্ৰৰ যিকোনো এখন দেখুৱাই ভোটদান কৰিব পাৰিব। এই পৰিচয় পত্ৰবোৰৰ ভিতৰত আধাৰ কাৰ্ড, এমএনৰেগা জব কাৰ্ড, ড্ৰাইভিং লাইচেন্স, পান কাৰ্ড আৰু ভাৰতীয় পাছপ'ৰ্টও আছে।

০০০০০০০

**সমাপ্ত**